**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

—————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডুমডুমাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক প্ৰদানৰ লগতে ১৮৩ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ডুমডুমাৰ ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত আত্মসহায়ক গোটৰ ১৩ হাজাৰ ৮২২ গৰাকী হিতাধিকাৰীৰ মাজত উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰা হ'ব। ড০ শৰ্মাই ৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ডুমডুমাৰ পুৰণি এ টি ৰোডৰ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ডুমডুমা নগৰ আৰু কাষৰীয়া অঞ্চলত দুটাকৈ বান আৰু খহনীয়া প্ৰতিৰোধ প্ৰকল্প, প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ২৪ টা বিদ্যালয় ভৱন নিৰ্মাণ, ডুমডুমা মহাবিদ্যালয়ৰ ষ্টেডিয়াম নিৰ্মাণ, কেইবাখনো বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৰাইজৰ বাবে উৎসৰ্গা কৰিব। এই উপলক্ষে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত মুখ্যমন্ত্ৰী জনসাধাৰণক উদ্দেশি ভাষণ দিব। তেওঁ এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ড° শৰ্মাই লগতে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি উত্তৰ লখিমপুৰৰ খেলমাটিত ড° ভূপেন হাজৰিকাৰ এটা ১৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। সুধাকণ্ঠৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপনৰ অংশ হিচাপে উত্তৰ লখিমপুৰ পৌৰসভাই ৪০ লাখ টকা ব্যয়ৰে এই প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰিছে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ পাছত উত্তৰ লখিমপুৰ নগৰত নতুনকৈ নিৰ্মাণ কৰা গৌৰৱ পথৰ উদ্বোধন কৰে। নগৰখনৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া আশা পূৰণ কৰি মুখ্যমন্ত্ৰী নগৰীয়া পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ২ কোটি ৮৭ লাখ টকাৰে শিৰমন্দিৰৰ পৰা নৰ্থ লখিমপুৰ কলেজ চাৰিআলিলৈ এই পথছোৱা নিৰ্মাণ কৰা হৈছে।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে কালি শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক উদ্যমিতা পুঁজিৰ ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয়, যে মহিলাসকলে যাতে সমাজত সন্মান সহকাৰে জীয়াই থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এই আঁচনি ৰূপায়ণ কৰিছে। তেওঁ লগতে শদিয়াৰ বৰপথাৰ গাঁৱত থকা সোণোৱাল কছাৰীসকলৰ পবিত্ৰ স্থান খ্ৰীং খ্ৰীং বাইথো মন্দিৰত পূজা-অৰ্চনা কৰে।

০০০০০০

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লাৰ শেষকৃত্য আজি দুপৰীয়াৰ নামাজৰ পাছত নালিয়াপুল কবৰস্থানত সম্পন্ন কৰা হ'ব। শিল্পীগৰাকীৰ জানাজা ৰাজ্যিক মৰ্যাদাৰে

সম্পন্ন কৰা হ'ব বুলি ৰাজ্য চৰকাৰে ঘোষণা কৰিছে। কালি নিশা শিল্পীগৰাকীৰ নশ্বৰ দেহ গুৱাহাটীৰ পৰা ডিব্ৰুগড়ৰ বাসগৃহলৈ নিয়া হয়।

যোৱা কিছুদিন ধৰি দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হোৱা চৈয়দ ছাদুল্লাক উন্নত চিকিৎসাৰ বাবে পৰহি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসাধীন অৱস্থাত কালি তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

১৯৪৮ চনৰ ১ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ নালিয়াপুলত জন্মগ্ৰহণ কৰা চৈয়দ ছাদুল্লা শৈশৱৰে পৰা বিভিন্ন বাদ্যযন্ত্ৰত পাৰদৰ্শী হৈ উঠে আৰু পৰৱৰ্তী কালত গীতাৰ বাদক হিচাপে তেওঁ প্ৰসিদ্ধি লাভ কৰে। যোৱা শতিকাৰ সপ্তম দশকত ডিব্ৰুগড়ৰ কেইগৰাকীমান যুৱকে **দ্য কুইভাৰ্ছ** নামৰ উজনি অসমৰ প্ৰথমটো বেণ্ডৰ জন্ম দিয়ে। এই কুইভাৰ্ছৰ অন্যতম সদস্য আছিল চৈয়দ ছাদুল্লা। ১৯৭১ চনৰ পৰা ১৯৭৫ চনলৈ তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাৰে অংশকালীন ঘোষকৰূপে সেৱা আগবঢ়ায়। ইয়াৰ পাছত তেওঁ কেন্দ্ৰটোত ষ্টাফ আৰ্টিষ্টৰূপে যোগদান কৰে। কিছু কাল আকাশবাণী মুম্বাই কেন্দ্ৰতো সেৱা আগবঢ়োৱাৰ পাছত তেওঁ আকাশবাণী ডিব্ৰুগড়লৈ প্ৰত্যাৱৰ্তন কৰে আৰু ২০০৮ চনত তেওঁ কেন্দ্ৰটোৰ পৰা অৱসৰ গ্ৰহণ কৰে।

যোৱা শতিকাৰ সপ্তম আৰু অষ্টম দশকত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত অতি জনপ্ৰিয় ভিন্নৰঙী অনুষ্ঠান **বৰ্ণালী**ৰো প্ৰধান উপস্থাপক আছিল চৈয়দ ছাদুল্লা।

পৰৱৰ্তী সময়ত শিল্পীগৰাকীয়ে গীত ৰচনা, সংগীত ৰচনা আৰু সুৰকাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰে।

০০০০০০

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত আজি পুৱা একতাৰ বাবে দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি চৰ্দাৰ বল্লভ ভাই পেটেললৈ শ্ৰদ্ধা নিবেদন কৰি বিভিন্ন কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় একতা দিৱসত বিচক্ষণ ৰাজনীতিবিদ গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে সকলোকে ৰাষ্ট্ৰীয় সংহতি আৰু একতা অক্ষুণ্ণ ৰখাৰ বাবে নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাইছে।

প্ৰতিবছৰে ৩১ অক্টোবৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। এই দিনটো ৰাষ্ট্ৰীয় একতা, সংহতি আৰু সুৰক্ষাৰ প্ৰসাৰৰ বাবে উৎসৰ্গিত। এই দিৱসে লগতে জনসাধাৰণক নিজৰ দেশ আৰু সংস্কৃতিক লৈ গৌৰৱান্বিত হ'বলৈ উৎসাহিত কৰে।

০০০০০০

সমাপ্ত